

নৱম শ্ৰেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

ইতিহাস

পাঠ - ৪

মানৰ অসম আক্ৰমণ

অংশ – ৩

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ

- অসম দখল কৰাৰ পিছত মান সকলে ব্ৰিটিছ অধীনস্থ ভূখণ্ডত প্ৰৱেশ কৰি উপদ্ৰৱ অভিযান আৰম্ভ কৰিছিল।
- মান ৰজাৰ সাম্ৰাজ্যবাদী কাৰ্যকলাপে ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰক আতংকিত কৰি তুলিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


- মানসকলে গোৱালপাৰা, শ্ৰীহট্ট আৰু চট্টগ্ৰাম পথেৰে ব্ৰিটিছ ভূখণ্ডত প্ৰৱেশ কৰি লুণ্ঠন সংঘটিত কৰে।
- মানসকল বৃটিছ অধিকৃত ৰাজ্য বিস্তাৰৰ প্ৰতি আগ্ৰহী হৈ পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ১৮১৯ চনত মানে জয় কৰা মণিপুৰ ৰাজ্যৰ মাজেৰে মানসকলে কাছাৰত প্ৰৱেশ কৰে।
- কাছাৰৰ ৰজা গোবিন্দ সিংহই মনিপুৰী ৰজা গম্ভীৰ সিংহৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি ইংৰাজৰ ওচৰত আশ্ৰয় লয়।

- যদি কাছাৰ মানৰ হস্তগত হয়, তেন্তে কাছাৰৰ সীমান্তৱৰ্তীত ব্ৰিটিছ অধিকৃত শ্ৰীহট্টৰ বাবে ভাবুকিৰ সৃষ্টি কৰিব।
- ব্ৰিটিছে মানৰ আগ্ৰাসন ৰোধৰ বাবে তৎপৰ হৈ পৰিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- চুবুৰীয়া দেশ অসমত মানৰ উপদ্ৰৱ ইতিমধ্যে ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পর্যৱেক্ষণ কৰি আছিল।
- কাছাৰত মানৰ প্ৰৱেশে ব্ৰিটিছ আৰু মানৰ মাজত সংঘাত অনিবার্য কৰি তুলিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ ১৮২৪ খ্ৰীষ্টাব্দৰ ৫ মাৰ্চত ইংৰাজ গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰ্মহাষ্টে মান ৰজাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

☛ ইংৰাজ সেনাই পূৰ্ণ প্ৰস্তুতিৰে তিনিদিশৰ পৰা মানক আক্ৰমণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation





লর্ড আর্মহার্ষ্ট

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


- লর্ড মেকমোৱেইনৰ অধীনত এটা ব্রিটিছ বাহিনীয়ে গোৱালপাৰাৰ পৰা গুৱাহাটী অভিমুখে আগবাঢ়িছিল।
- ডেভিদ স্কটৰ নেতৃত্বত দ্বিতীয়টো বাহিনী চট্টগ্রাম আৰু শ্রীহট্ট সীমান্তৰে আৰাকান হৈ মণিপুৰ আৰু জয়ন্তীয়া ৰাজ্যৰ দিশে আগবাঢ়িল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ছাৰ আর্চিবেল কেম্পবেলৰ নেতৃত্বত তৃতীয়টো ব্রিটিছ বাহিনী ইৰাৱতী নদীৰ মাজেৰে ৰেংগুনলৈ আগবাঢ়িল।
- ১৮২৪ খ্ৰীষ্টাব্দৰ ২৮ মার্চত ইংৰাজ সৈন্যই সহজে গুৱাহাটী দখল কৰে।
- ইংৰাজৰ আক্রমণত মান সেনাই নগাওঁ, ৰহা আৰু কলিয়াবৰলৈ পিছুৱাই গ'ল।

- হাটবৰ, কলিয়াবৰ, ৰঙালুগড়ত হোৱা যুদ্ধত মানসকল পৰাস্ত হৈছিল।
- কাছাৰ আৰু জয়ন্তীয়া পাহাৰৰ মাজেৰে ডেভিদ স্কট নগাওঁত উপস্থিত হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইংৰাজে নামনি অসমৰ গুৱাহাটীৰ পৰা গোৱালপাৰালৈ বিস্তৃর্ণ অঞ্চল দ্রুতগতিত নিজৰ নিয়ন্ত্রণলৈ আনিলে।
- কর্ণেল ৰিচার্ডছনক নতুনকৈ দখল কৰা ভূখণ্ডৰ সামৰিক শাসনকর্তা হিচাপে নিযুক্তি দিয়া হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইংৰাজৰ উজনিলৈ অগ্ৰগতি

- নামনি অসমৰ কিছু অঞ্চল ইংৰাজে দখল কৰাৰ সময়তো উজনি অসমত মান শাসন অব্যাহত আছিল।
- অতি সোনকালেই ব্ৰিটিছে নগাওঁ, ৰহা, কলিয়াবৰ আদি অঞ্চলসমূহ দখল কৰে।

- মহুৰামুখ নামৰ ঠাইত মান সেনাই যুদ্ধৰ বাবে সাজু হৈছিল যদিও ইংৰাজৰ হাতত পৰাস্ত হৈছিল।
- ইংৰাজ সৈন্যই মানসকলক খেদি খেদি যোৰহাটলৈ যায় আৰু ১৮২৫ চনৰ ১৭ জানুৱাৰীত লেফটেনেণ্ট নিউভিলে যোৰহাট দখল কৰে।

- মান সৈন্য যোৰহাটৰ পৰা গৌৰীসাগৰলৈ পিছুৱাই গ'ল, কিন্তু ইংৰাজে আগবাঢ়ি গৈ পুনৰ তেওঁলোকক পৰাস্ত কৰিলে।
- বাৰম্বাৰ পৰাজিত হৈ মানসকলে নিজৰ গৃহভূমিলৈ উভতি যোৱাৰ বাহিৰে আন উপায় নাছিল।

- কিছুমান মান সৈন্যই চিংফৌৰ সহযোগত অসমৰ পূব প্ৰান্তত লুণ্ঠন চলাইছিল।
- শদিয়াখোৱা গোহাঁই আৰু মাতিবৰ সেনাপতিয়ে ইংৰাজৰ সহায় বিচাৰিছিল আৰু ১৮২৫ চনৰ জুন মাহত নিউভিলৰ অধীনত থকা ইংৰাজ বাহিনীয়ে চিংফৌসকলক পৰাস্ত কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- আনহাতে মানসকলে মণিপুৰ কাছাৰতো নিজৰ অত্যাচাৰ আৰু লুণ্ঠন কার্য্য অব্যাহত ৰাখিছিল।
- ইংৰাজ সেনাপতি পাম্বাৰটনে মানসকলক বিশেষকৈ মণিপুৰৰ পৰা খেদি পঠিয়াবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল।

- ইৰাৱতী নদীৰ ওপৰেৰে ৰেংগুনলৈ আগবাঢ়ি যোৱা ছাৰ আৰ্চিবেল কেম্পবেলৰ নেতৃত্বত যোৱা ইংৰাজ বাহিনীক মান ৰজাই ৰোধ কৰিব নোৱাৰিলে।
- ইংৰাজ সেনাই ব্ৰহ্মদেশৰ চহৰ ইয়াঙ্গুন দখল কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অন্য কোনো বিকল্প নেদেখি মান ৰজাই ইংৰাজৰ সৈতে শান্তি চুক্তিত সন্মতি দিলে।
- ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰীত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয় আৰু ইয়াৰ ফলশ্রুতিত প্রথম ইংগ-বার্মা যুদ্ধৰ অন্ত পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ ইয়াণ্ডাবু সন্ধিৰ ২ নং অনুচ্ছেদ অসম সম্পৰ্কীয় আছিল। এই অনুচ্ছেদ অনুসৰি-

☛ ব্ৰহ্মদেশৰ ৰজাই অসম তথা অসমৰ কৰতলীয়া ৰাজ্যক কাছাৰ আৰু জয়ন্তীয়াৰ ওপৰত সকলো দাবী ত্যাগ কৰে। ভৱিষ্যতে এই অঞ্চলসমূহত কোনো হস্তক্ষেপৰ পৰা বিৰত থাকিবলৈ সন্মত হয়।

- উল্লেখযোগ্য যে মানদেশে অসমক ইংৰাজৰ হাতত অর্পণ কৰা নাছিল, নতুবা অসমৰ প্রতিনিধি ৰূপে কোনেও ইয়াণ্ডাবু সন্ধিত স্বাক্ষৰ কৰা নাছিল।
- অসমক প্রতিনিধিত্ব কৰিবলৈ সেইসময়ত কোনো ঐক্যবদ্ধ ৰাজশক্তি নাছিল।
- সন্ধিৰ ২ নং অনুচ্ছেদৰ সুবিধা লৈ ইংৰাজে অসমৰ ওপৰত নিজৰ আধিপত্য প্রতিষ্ঠা কৰিলে।

- সেই সময়ত ইংৰাজে মানৰ অত্যাচাৰৰ পৰা অসমৰ প্ৰজাক ৰক্ষা কৰিবলৈ ত্ৰাণকৰ্তা ৰূপে আৰ্ভিভাৱ হৈছিল। অসমত সুস্থিৰ পৰিৱেশ উভতি আহিব বুলি বিশ্বাস কৰি অসমৰ জনসাধাৰণে নতুন ৰাজনৈতিক পৰিৱৰ্তনক স্বীকাৰ কৰাৰ বাদে অন্য গত্যন্তৰ নাছিল।
- মান যোৱাৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানী অসমৰ একমাত্ৰ শাসক হৈ পৰিল।

- আহোম ৰজা চন্দ্ৰকান্ত সিংহ আৰু যোগেশ্বৰ সিংহক ৰংপুৰ বা যোৰহাটত বাস কৰিবলৈ দিয়া নহ'ল।
- চন্দ্ৰকান্ত গুৱাহাটীতে থাকি কিছু সময়ৰ পিছতে তেওঁৰ মৃত্যু হয়। মানৰ পুতলা ৰজা যোগেশ্বৰ সিংহৰ ১৮২৬ চনৰ শেষৰ ফালে যোগীঘোপাত মৃত্যু হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইয়াণ্ডাবু সন্ধি

- প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ (১৮২৪-২৫) চাৰিখন ৰণাঙ্গনত সংঘটিত হৈছিল —

(১) ব্ৰহ্মপুত্ৰ উপত্যকা তথা আহোম ৰাজ্য

(২) কাছাৰ

(৩) মণিপুৰ আৰু

(৪) ব্ৰহ্মদেশত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- যুদ্ধত মানসকল পৰাজিত হৈ ১৮২৫ চনত উজনি অসম ত্যাগ কৰে।
- ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰীত ইয়াণ্ডাবু নামৰ ঠাইত সন্ধি স্বাক্ষৰিত হয়। এইখনেই আছিল বিখ্যাত ইয়াণ্ডাবু সন্ধি। ইয়াৰ লগে লগে প্রথম ইংগ-বার্মা যুদ্ধৰ অন্ত পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ইয়াণ্ডাবু সন্ধিৰ চর্তসমূহ আছিল

১. মান ৰজাই যুদ্ধৰ ক্ষতিপূৰণৰ বাবদ কোম্পানিক এক কোটি টকা পৰিশোধ কৰিব লাগিব।

২. আৰাকান আৰু তেনাছেৰিম প্রদেশ ব্রিটিছৰ হাতলৈ যাব।

৩. অসম, কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যত মানসকলে কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিব।

৪. মানসকলে মণিপুৰৰ ৰজা গম্ভীৰ সিংহক ৰজা ৰূপে স্বীকাৰ কৰে।

৫. আভাত (ব্ৰহ্মদেশ) এজন ব্ৰিটিছ ৰেছিডেন্ট থাকিব। মান ৰজাক কলিকতাত এজন বিষয়া ৰাখিবলৈ ব্ৰিটিছে অনুমতি দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াণ্ডাবু সন্ধিৰ চৰ্তসমূহ ইংৰাজৰ পক্ষে অনুকূল আছিল। এই সন্ধিয়ে অসমত 'মানৰ দিন'ৰ অন্ত পেলায়।
- সন্ধিৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ ওপৰত নিয়ন্ত্রণ গ্রহণ কৰি অঞ্চলটোত ব্রিটিছৰ সাম্রাজ্যবাদী নীতিৰ আৰম্ভণি ঘটায়।

মূল্যায়ন



১। প্ৰথম ইংগ বাৰ্মা যুদ্ধৰ সময়ত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৱৰ্ণৰ জেনেৰেল আছিল লৰ্ড আৰ্মহাষ্ট।

মূল্যায়ন



২। ইয়াণ্ডাবু সন্ধি কেতিয়া স্বাক্ষৰিত হৈছিল ?

ক ১৮২৪ চন

খ ১৮২৫ চন

গ ১৮২৬ চন